# অসম আদিত্য

৭ ফাগুন, ১৯৪৫ শক ■ মঙলবাৰ, ২০ ফেব্ৰুবাৰী, ২০২৪ ■ Asom Aditya, Dibrugarh, Tuesday, February 20, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ




ছিটিং এম পি

প্ৰাৰ্থি



ছাত্ৰ সন্থাৰ বি

ণ পৰিষদ

### কানৈ কলেজত সাহিত্য সভাৰ সভাপতি ড° সূৰ্য্যকান্ত হাজৰিকা

## উনবিংশ শতিকাত ভাষা-সাহিত্যলৈ বৰঙণি আগবঢ়াইছিল প্ৰশাসন যন্ত্ৰই

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৯ ফেব্ৰুৱাৰী ঃ** ঐতিহাসিক ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আজি এক মননশীল বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। অসম সাহিত্য সভাৰ সভাপতি পদ্মশ্ৰী ড০ সূৰ্য্যকান্ত হাজৰিকাই 'উনবিংশ শতিকাৰ অসমত সাহিত্য চৰ্চা আৰু অসম বিষয়ক গ্ৰন্থৰ এটি সমীক্ষাত্মক ৰেহৰূপ' বিষয়ৰ ওপৰত সুন্দৰ বক্তৃতা প্ৰদান কৰে। ঐতিহাসিক মহাবিদ্যালয়খনত উপস্থিত হোৱা অসম সাহিত্য সভাৰ সভাপতিগৰাকীয়ে অতি সাৱলীলভাৱে উনবিংশ শতিকাৰ অসমীয়া ভাষা-সাহিত্যৰ জগতখনৰ ওপৰত বিস্তৃত বিশ্লেষণ আগবঢ়ায়। ভাষণ প্ৰসংগত তেওঁ কয় যে উনবিংশ শতিকাৰ ভাষা-সাহিত্যৰ চৰ্চাই ভৱিষ্যতৰ অসমীয়া সাহিত্যৰ সৌধ নিৰ্মাণ কৰি থৈ গ'ল। মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ অধ্যাপিকা শিখামণি কোঁচ দেউৰীয়ে আঁত ধৰা অনুষ্ঠানটিত ড০ হাজৰিকাই কয়— উনবিংশ শতিকাত অসমত খ্ৰীষ্টান মিছনেৰীসকলৰ উপৰি প্ৰশাসন যন্ত্ৰৰ লগত জড়িত কিছুসংখ্যক লোকেও অসমীয়া ভাষা-সাহিত্যৰ উন্নতি সাধনত বৰঙনি আগবঢ়াইছিল। মহাবিদ্যালয়ৰ মুখ্য দ্বাৰত মংগল আৰতি আৰু চৰণ সেৱা কাৰ্যসূচীৰ পিছতে গায়ন-বায়ন, এনচিচি কেডেটৰে সভাগৃহলৈ উষ্ম আদৰণি জনাই অনা অনুষ্ঠানটিত সভাপতিগৰাকীয়ে উনবিংশ শতিকাত প্ৰকাশিত অসম সম্পৰ্কীয় বিভিন্ন গ্ৰন্থৰ সম্ভেদ দাঙি ধৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰা অনুষ্ঠানটিত উদ্দেশ্য ব্যাখ্যা কৰে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা অঞ্জুমণি ফুকনে। উল্লেখ্য যে আজিৰ এই অনুষ্ঠানতে সাহিত্য সভাৰ সভাপতিগৰাকীক চেলেং চাদৰ, ফুলাম গামোচা, সম্বৰ্ধনা-পত্ৰ, কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জনোৱাৰ লগতে অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা কালৰে পৰা বৰ্তমানলৈকে সভাপতিসকলৰ ফটো সম্বলিত এখন সুন্দৰ ফটো অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক গৌতম গগৈয়ে সভাপতিগৰাকীক প্ৰদান কৰে। আনহাতে, সভাপতিগৰাকীয়ে এনচিচি কেডেটসকলে খুব



শৃংখলাবদ্ধভাৱে মুখ্য দ্বাৰৰ পৰা আদৰণি জনাই অনা কাৰ্যত আপ্লুত হৈ কেডেটসকলক চকলেটৰ পেকেট প্ৰদান কৰি ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানটিত মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড০ অনুপজ্যোতি ভৰালী আৰু ড০ সূৰ্য্যকান্ত হাজৰিকাৰ সহধৰ্মিণী তথা গুৱাহাটীৰ এছ কে হাজৰিকা মহাবিদ্যালয়ৰ অধ্যক্ষা ইভা হাজৰিকাই সাৱলীল বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানটিত মহাবিদ্যালয়ৰ ছাত্ৰী-ছাত্ৰীৰে সম্পৰ্কৰক্ষী সমন্বয়ক অধ্যাপক ড০ জ্যোতিপ্ৰসাদ ফুকন, অসমীয়া বিভাগৰ সমূহ অধ্যাপক-অধ্যাপিকা, মহাবিদ্যালয়ৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। শেষত শলাগ জ্ঞাপন কৰে অসমীয়া বিভাগৰ অধ্যাপক অসীম শইকীয়াই।

## বনৌষধি-পৰম্ পৰামৰ্শ কেন্দ্ৰ

**ষ্টাফ ৰিপৰ্টাৰ, ১৯ ফেব্ৰুৱাৰী ঃ** বনৌষধি আৰু পৰম্পৰাগত চিকিৎসা পৰামৰ্শ কেন্দ্ৰৰ প্ৰতিষ্ঠা দিৱস কালি দিনজোৱা কাৰ্যসূচীৰে টিংখাঙত অনুষ্ঠিত হয়। নাওজান মজলীয়া বিদ্যালয়ৰ সহকাৰী শিক্ষক অতুল চন্দ্ৰ কোচৰ সভাপতিত্বত অনুষ্ঠিত হোৱা কেন্দ্ৰটোৰ প্ৰতিষ্ঠা দিৱসৰ উপলক্ষে বনৌষধিৰ জৰিয়তে কি দৰে জটিল ৰোগত আক্ৰান্ত ৰোগীক চিকিৎসা প্ৰদান কৰিব পাৰি সেই সম্পৰ্কে সজাগতা সৃষ্টি কৰা হয়। দুৰ্লভ গগৈ আৰু আদিত্য বড়াৰ পৃষ্ঠপোষকতাত গঢ় লোৱা 'বনৌষধি আৰু পৰম্পৰাগত চিকিৎসা পৰামৰ্শ কেন্দ্ৰ'টোৰ প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ আঁত ধৰে চিকিৎসা সেৱা কেন্দ্ৰৰ পৰিচালক বসন্ত খনিকৰে। শিশু কণ্ঠশিল্পী অদিতি গগৈৰ উদ্বোধনী গীতৰ পিছতেই আদৰণী ভাষণ

## ডিব্ৰুগড়ত সাংখ্যিকতা

**ডিব্ৰুগড়, ১৯ ফেব্ৰুৱাৰী ঃ** ডিব্ৰুগড় জিলাৰ বৰবৰুৱাৰ শিক্ষা খণ্ডৰ অন্তৰ্গত আমোলাপট্টি নিম্ন বুনিয়াদী আদৰ্শ প্ৰাথমিক বিদ্যালয়ত শিক্ষকসকলৰ এক সভা অনুষ্ঠিত হয়। সভাত বিশেষকৈ বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ পৰা তৃতীয় শ্ৰেণীলৈ সাক্ষৰতা আৰু সাংখ্যিক দক্ষতা (এফ এল এন) ওপৰত আলোচনা কৰা হয়। আলোচনাৰ আঁত ধৰে চিআৰচি শৌভিক বৰদলৈয়ে। বৰদলৈয়ে সভাত সাক্ষৰতা আৰু সাংখ্যিক দক্ষতাৰ সন্দৰ্ভত বিতংকৈ ব্যাখ্যা আগবঢ়ায়। আমোলাপট্টি, নিউ আৰবান আৰু পূৰ্ণানন্দ শিক্ষা কেন্দ্ৰৰ প্ৰায় শতাধিক শিক্ষকৰ